# Inauguration and Textbook Distribution Programme

- Inauguration and Textbook Distribution Programme of Non-formal Sanskrit Curriculum, Affiliated by Central Sanskrit University, New Delhi.
- President of the meeting : Dr. Kamal Chandra Pathak, Principal, B. P Chaliha College.
- Date : 13.02.2023




কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয় (নতুন দিল্লী)ৰ দ্বাৰা অনুমোদিত
'অগতানুগতিক সংস্কৃত শিক্ষা'
(Non-Formal Sanskrit Education)
পাঠ্যক্ৰমৰ আনুষ্ঠানিক আৰম্ভণি আৰু
পাঠ্যপুথি বিতৰণ অনুষ্ঠান
তাৰিখ ঃ ইং ১৩-০২-২০২৩
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা
GPS Map Camera
Nagarbera, Assam, India
4234+J3G, Nagarbera, Assam 781127, India
Lat 26.104721°
Long 91.005122°
13/02/23 11:05 AM GMT +05:30
Google


কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয় (নতুন দিল্লী)ৰ দ্বাৰা অনুমোদিত
'অগতানুগতিক সংস্কৃত শিক্ষা'
(Non-Formal Sanskrit Education)
পাঠ্যক্ৰমৰ আনুষ্ঠানিক আৰম্ভণি আৰু
পাঠ্যপুথি বিতৰণ অনুষ্ঠান
তাৰিখ ঃ ইং ১৩-০২-২০২৩
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা
GPS Map Camera
Nagarbera, Assam, India
4234+J3G, Nagarbera, Assam 781127, India
Lat 26.104526°
Long 91.005095°
13/02/23 10:50 AM GMT +05:30
Google

## নতুন দিল্লীস্থিত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত অগতানুগতিক সংস্কৃত পাঠ্যক্ৰমৰ আনুষ্ঠানিক আৰম্ভণি আৰু পাঠ্যপুথি বিতৰণ অনুষ্ঠান —

আজি ইং 13/02/2023 তাৰিখে নতুন দিল্লীস্থিত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত অগতানুগতিক সংস্কৃত পাঠ্যক্ৰমৰ আনুষ্ঠানিক আৰম্ভণি আৰু পাঠ্যপুথি বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁত ধৰে বিভাগৰ অধ্যাপিকা ড° ৰুমী দাসে। অনুষ্ঠানটোত সভাপতি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমল চন্দ্ৰ পাঠকদেৱে সংস্কৃত শিক্ষাৰ কেন্দ্ৰটো অনাগত ওতঃপ্ৰোতভাৱে জড়িত হবা অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক শ্বাহ জামাল মোল্লাৰ লগতে বিভাগটোৰ সমূহ অধ্যাপক-অধ্যাপিকাক ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰি কয় যে এই পাঠ্যক্ৰমটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আশা আৰু সৌভাগ্য কঢ়িয়াই আনিব। অনুষ্ঠানটোত উপস্থিত সকল মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষ (IQAC) ৰ সমন্বয়ক ড° অলকা হজৰী ভাগৱতীয়ানীয়েও অধ্যাপক মোল্লাক কৃতজ্ঞতা জনাই বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে আৰু পাঠ্যক্ৰমটোৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰীক সজাগ কৰে। দিল্লীৰ সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত অধ্যাপক ড° লক্ষণ ৰয়ে পাঠ্যক্ৰমটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলক বিবৃতি কৰে। অনুষ্ঠানটোত উপস্থিত সকল মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাদেৱেও বিভাগটো আৰু পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছাবাণী জ্ঞাপন কৰে।

অনুষ্ঠানটোত পাঠ্যপুথি বিতৰণৰ আনুষ্ঠানিকতা ৰক্ষা কৰি কেৱল দুগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰতীকী ৰূপত পাঠ্যপুথি বিতৰণ কৰা হয়। বাকীসকল ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বিভাগৰ পৰা পাঠ্যপুথি-সমূহ সংগ্ৰহ কৰিব বুলি অগতানুগতিক সংস্কৃত পাঠ্যক্ৰমৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিদ্যুৎ দত্তই জানিবলৈ দিয়ে। অনুষ্ঠানটোৰ শেষত বিভাগৰ অধ্যাপক বিদ্যুৎ দত্তই শলাগৰ শৰাই আগবঢ়ায় আৰু সভাপতিৰ মন্তব্যৰে অনুষ্ঠানটোৰ সামৰণি পৰে।

বয়োজ্যেষ্ঠসকলক সম্বৰ্ধনা, ভাগৱত লৈ নগৰ কীৰ্তন, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

# নগৰবেৰাৰ বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ত ‘অনানুষ্ঠানিক সংস্কৃত শিক্ষা’ৰ পাঠ্যক্ৰমৰ শুভাৰম্ভ




**প্ৰতিদিন সেৱা, নগৰবেৰা, ১৩ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ত আজি অনানুষ্ঠানিক সংস্কৃত শিক্ষাৰ শুভাৰম্ভ কৰাৰ লগতে পাঠপুথি বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সদ্য প্ৰাক্তন মুৰব্বী অধ্যাপক শ্বাহ জামাল মোলাৰ নেতৃত্বত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগে ২০২২ বৰ্ষৰ নৱেম্বৰ মাহত নতুন দিল্লীস্থিত কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰা অনানুষ্ঠানিক সংস্কৃত শিক্ষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ অনুমোদন লাভ কৰিছিল। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনে বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ত অনানুষ্ঠানিক সংস্কৃতৰ পাঠ্যক্ৰমৰ অধ্যাপক হিচাপে ড° লক্ষ্মণ ৰয়ক নিয়োজিত কৰে আৰু নামভৰ্তিৰ প্ৰক্ৰিয়াৰ লগতে পাঠ্যক্ৰমো নিয়মীয়া ৰূপত চলি থাকে। আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমল চন্দ্ৰ পাঠকৰ সভাপতিত্বত অনানুষ্ঠানিক সংস্কৃত শিক্ষাৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটিত অধ্যক্ষ ড° কমল পাঠকে সংস্কৃত শিক্ষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সন্দৰ্ভত বক্তব্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়ৰ শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ৰুমী দাসে আঁত ধৰা অনুষ্ঠানটোত সংস্কৃতৰ অধ্যাপক ড° লক্ষ্মণ ৰয়ে সংস্কৃত শিক্ষাৰ পাঠ্যক্ৰম সন্দৰ্ভত আলোকপাত কৰে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° অলকা হুজুৰী আৰু শিক্ষক গোটৰ সভাপতি বীৰেন বৰাই সভাত শুভেচ্ছামূলক বক্তব্য ৰাখে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক বিদ্যুৎ দত্তই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে।

# মুকালমুৱাত ছাত্ৰৰ আত্মহনন

**প্ৰতিদিন সেৱা, দৌলাশাল, ১৩ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত ডিৰুৱা গাঁৱৰ এগৰাকী তেৰ বছৰীয়া ছাত্ৰ আজি চিপ লোৱা অৱস্থাত মোমায়েকৰ ঘৰত উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। জানিব পৰামতে ডিৰুৱাৰ গোপালথান মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ তথা গুৱাহাটীৰ লখৰাৰ বাসিন্দা দীপজ্যোতি

# চেণ্ট্ৰেল বেংকৰ বনগাঁও শাখাত নিশা সোমাল চোৰ

**প্ৰতিদিন সেৱা, বকো, ১৩ ফেব্ৰুৱাৰী**